*Total number of printed pages–4*

**3 (Sem–3) ASM MIL**

# 2023

## ASSAMESE

( Modern Indian Language )

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা ঃ ১×১০=১০

(ক) ড. মহেশ্বৰ নেওগৰ মতে মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা প্ৰথম নাটখন কি?

(খ) কালিন্দী কি?

(গ) ভেকোলা কোন?

(ঘ) ঔগুৰি বাগিচালৈ যাবলৈ ভাবিৰামে কাৰ পৰা কোট-পেটলুন আনিছিল?

(ঙ) 'শৰাগুৰি চাপৰি' নাটকৰ নাট্যকাৰজন কোন?

(চ) আৰবী ভাষাৰ কি শব্দৰ পৰা 'জিকিৰ' শব্দটো আহিছে?

(ছ) ৰূপাই দাধৰা কোনখন ঠাইৰ বিষয়া আছিল?

*Contd.*

(জ) 'এজাক জোনাকীৰ জিলমিল' নাটকখনত কেইটা চৰিত্ৰ আছে?

(ঝ) চকীদাৰ-চকীদাৰণীৰ পুতেকটো কেনেকৈ মৰিছিল?

(ঞ) মনোহৰৰ জীয়েকৰ নাম কি?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

(ক) শ্ৰীকৃষ্ণই কালিসৰ্প-ৰাজক সপৰিয়ালে ক'ৰ পৰা, ক'লৈ খেদি পঠিয়াইছিল?

(খ) "বোপা! এতিয়া তুমি স্কুল এৰি, মিছাতে এনেই ঘটংঘটংকৈ ফুৰিছা কিয়? এঠাইত কাম-কাজ এটাকে কৰা।" কথাষাৰ কোনে, কাক কৈছিল?

(গ) আজান ফকিৰক কোনে, কাৰ চোৰাং-চোৰা বুলি স্বৰ্গদেউক গোচৰ দিছিল?

(ঘ) বিজুলীয়ে পানী খাবলৈ ফুল থকা গিলাছটো কাক দিছিল আৰু পিতলৰ গিলাছটো কাক দিছিল?

(ঙ) মহেন্দ্ৰ বৰঠাকুৰ ৰচিত দুখন অনাতাঁৰ নাটকৰ নাম লিখা।

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ ৫×৪=২০

(ক) শ্ৰীকৃষ্ণক সৰ্পৰ বন্ধনত পৰি থকা দেখি গোপীসকলে আৰু যশোদাই কেনেদৰে বিলাপ কৰিছিল, বৰ্ণনা কৰা।

(খ) 'মহৰী' নাটকত বাপিকোচ নামৰ চৰিত্ৰটোৱে কেনেদৰে হাস্যৰসৰ সৃষ্টি কৰিছে, লিখা।



(গ) ৰূপাই দাধৰাই আজান ফকীৰক কিয় দৰঙীলৈ নিব বিচাৰিছিল? এই সন্দৰ্ভত ফতুলাই ৰূপাইক কি কৈছিল, বৰ্ণনা কৰা।

(ঘ) "যুগমীয়া শান্তি অহাৰ আগ মুহূৰ্তত যদি সন্ত্ৰাসৰ সৃষ্টি হয়, তেন্তে সেই সন্ত্ৰাসৰ কলংক মূৰ পাতি ল'বলৈ আমি সম্মত হৈ আছোঁ।" কোনে, কাক, কি পৰিস্থিতিত এই কথা কৈছিল, আলোচনা কৰা।

(ঙ) দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ নাট্য-প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) "অংকীয়া নাটত বিভিন্ন ৰসৰ প্ৰকাশ হৈছে যদিও ভক্তি ৰসহে এই নাটৰ প্ৰধান বস্তু।" 'কালিয় দমন' নাটৰ আধাৰত এই উক্তিৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) 'কালিয় দমন' নাটত শ্ৰীকৃষ্ণৰ মানৱীয় ৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৫। (ক) 'মহৰী' নাটকত আব্দুল ৰহমানৰ বন্ধুপ্ৰীতি আৰু বাগিচাৰ বৰ মহৰী হলিৰাম বৰাৰ শঠতা কেনেদৰে প্ৰকাশ পাইছে, লিখা। ১০

*অথবা*

(খ) 'মহৰী' নাটকৰ ভাষা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) 'অসমীয়াৰ তেজত যে হিন্দু-মুছলমান বুলি সংকীর্ণ ভেদভাৱ পৰম্পৰাগত ভাৱেই নাই, মাথোন ৰাজনীতিয়ে সেই বীজ সুমুৱাই দিয়ে। আজান ফকিৰক আলম কৰি, সেইটোহে আমাৰ প্রতিপাদ্য বিষয়।" 'শৰাগুৰি চাপৰি' সম্পর্কে আগবঢ়োৱা নাট্যকাৰৰ এই মন্তব্যৰ যথার্থতা বিচাৰ কৰা। ১০

*অথবা*

(খ) বুৰঞ্জীমূলক নাটক কাক বোলে? 'শৰাগুৰি চাপৰি' বুৰঞ্জীমূলক নাটক নে সামাজিক নাটক, যুক্তি সহকাৰে আলোচনা কৰা।

৭। (ক) নাট্যকাৰ হিচাপে ড. ভবেন্দ্রনাথ শইকীয়াৰ পৰিচয় দাঙি ধৰা। দ্বিতীয় মহাযুদ্ধৰ পাছৰ (১৯৪৬-১৯৪৯ চনৰ মাজৰ) পটভূমিত ৰচনা কৰা 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনিত সন্ত্রাসবাদৰ অন্তঃসাৰশূন্যতা কেনেদৰে প্রকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনত বিজুলীক কেন্দ্র কৰি মনোহৰ, ভাস্কৰ আৰু মৃণালৰ কেনেধৰণৰ মানৱীয় আত্মসংঘাত সৃষ্টি হৈছে, আলোচনা কৰা।

---